স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

২০২৪ চন ☐ VOL-14 ☐ NO-29 ☐ WEDNESDAY 3 APRIL 2024 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1

মুকলি।
গিন্ধোৱা হয়।
ৰ জন্ম।

Estd-1945
Date

## 'শিক্ষা হ'ল আটাইতকৈ শক্তিশালী অস্ত্ৰ, যিয়ে পৃথিৱী সলনি কৰি দিব পাৰে'

# ডিব্ৰুগড় লিট'ল ষ্টেপ বিদ্যালয়ত বিদ্যাৰম্ভ অনুষ্ঠান

**বিশেষ বাৰ্তা, ডিব্ৰুগড, ২ এপ্ৰিল ঃ** পৃথিৱীত জ্ঞান অৰ্জনত বিনিয়োগ কৰা মানুহৰ সংখ্যা তেনেই কম। সকলোৱে নাজানে যে জ্ঞান আৰু শিক্ষা পৃথিৱীৰ আটাইতকৈ শক্তিশালী বিনিয়োগ, যাৰ মুনাফা গোটেই জীৱন লাভ কৰিব পাৰে। ডিব্ৰুগড় লিট'ল ষ্টেপ বিদ্যালয়ত অনুষ্ঠিত বিদ্যাৰম্ভ অনুষ্ঠানত ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, স্তম্ভ লেখক, সাহিত্যিক ড° শশীকান্ত শইকীয়াই এইদৰে কয়। পহিলা এপ্ৰিলত অনুষ্ঠিত মননশীল অনুষ্ঠানটোত তেওঁ কয় — মানুহৰ ধন-সম্পদ থাকিব পাৰে, পাৰ্থিৱ সম্পদ থাকিব পাৰে কিন্তু সেই সম্পদক জ্ঞানলৈ পৰিৱৰ্তন কৰিব নোৱাৰিলে জীৱনে কেতিয়াও পূৰ্ণতা নাপায়। পাৰ্থিৱ ধন-সম্পদ, ক্ষমতা, দেশ, ৰাজ্যৰ ৰজা, সম্ৰাট এই সকলোবোৰেই অস্থায়ী। জীৱনত কেৱল স্থায়ী হিচাপে থাকি যায় জ্ঞান আৰু শিক্ষাৰে সমৃদ্ধ শক্তিশালীজন। ড° শইকীয়াই প্ৰাচীন ভাৰত বৰ্ষৰ জ্ঞান, পৰম্পৰা সম্পৰ্কত উল্লেখ কৰি বিদ্যুৎ উৎপাদনৰ সূত্ৰ আৱিষ্কাৰক অগস্তমুনি, ২৫ প্ৰকাৰৰ বিমান নিৰ্মাণৰ সূত্ৰ স্ৰষ্টা মহৰ্ষি ভৰদ্বাজ, শূন্যৰ আৱিষ্কাৰক আৰ্যভট্ট, অংক শাস্ত্ৰৰ পণ্ডিত লীলাৱতী, জীৱ বিজ্ঞানৰ পাৰ্গত চড়ক, শৈল্য চিকিৎসক সুশ্ৰুত, ৰসায়নবিদ নাৰ্গাজুন,

১০ পৃষ্ঠাত



স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

NO-29 WEDNESDAY 3 APRIL 2024 (ডিব্ৰুগড় সংস্কৰণ/DI

সাংবাদিকৰ সৈতে
মোৰ পিতৃৰ সৈতে
নিত কাৰণত বিগত
ম্পৰ্ক থকাৰ কথা
ক্ত কৰে। আনহাতে
ভোগেশ্বৰ বৰুৱাই
আছিল। ৰাজনীতি
ৰৱ গৈগেয়ে মোৰ,
স্বাস্থ্যৰ বুজ লয়।
সাংবাদিকে প্ৰশ্ন
জনগোষ্ঠী এক হৈ
াৰ লগতে ৰাইজৰ

# ডিব্ৰুগড় লিট'ল ষ্টেপ বিদ্যালয়ত বিদ্যাৰম্ভ

অনু-পৰমাণু আৱিস্কাৰক কৰ্ণাড মুনিৰ জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাৰ কথা সমগ্ৰ বিশ্বই আজিও সোঁৱৰে বুলি উল্লেখ কৰি প্ৰসংগক্ৰমে আইনষ্টাইন, শ্বেক্সপীয়েৰ, শংকৰদেৱ, মাধৱদেৱৰ সমাজলৈ আগবঢ়োৱা বৰঙণি সমগ্ৰ বিশ্বই পাহৰিব পৰা নাই বুলি কয়। ড° শইকীয়াই কয়— শিক্ষা হ'ল আটাইতকৈ শক্তিশালী অস্ত্ৰ, যিয়ে পৃথিৱী সলনি কৰি দিব পাৰে। তেওঁ ভাষণ প্ৰসংগত নিজৰ সন্তানৰ প্ৰতি অভিভাৱকৰ দায়িত্ব আৰু কৰ্তব্যও উল্লেখ কৰি বিদ্যালয়খনৰ উত্তৰণৰ জয়যাত্ৰাক শ্ৰদ্ধাৰে সোঁৱৰে। মুখ্য অতিথি ৰূপে উপস্থিত থাকি অধ্যক্ষ ড° শইকীয়াই শিক্ষা, জ্ঞান আৰু প্ৰজ্ঞাৰ বিস্তৃত ব্যাখ্যা আগবঢ়াই ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে উল্লেখ কৰে। এনে বিদ্যাৰম্ভ অনুষ্ঠানৰ প্ৰয়োজনীয়তা আৰু তাৎপৰ্য সম্পৰ্কেও তেওঁ বিশ্লেষণ আবঢ়ায়। ইয়াৰ পূৰ্বে বিদ্যালয়খনৰ অধ্যক্ষ ৰুণু ভাগৱতীয়ে আঁত ধৰা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে মুখ্য অতিথি ড° শশীকান্ত শইকীয়া আৰু বিদ্যালয়খনৰ ৰেক্টৰ এছ এন ভাগৱতীয়ে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত ১২০ গৰাকীৰো অধিক নতুনকৈ নামভৰ্তি কৰা শিক্ষাৰ্থীৰ লগতে অভিভাৱকসকল উপস্থিত থাকে। অনুষ্ঠানত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে শতাধিক অতিথি উপস্থিত থাকে।